# অসম বিধান সভা
## তৰাবিহীন প্ৰশ্ন নং - ৪৮৯
## বিষয়ঃ Data Entry Operator দের অবহেলা সম্পর্কিত।
## বিধায়কৰ নাম :- শ্ৰীকমলাক্ষ দে পুৰকায়স্থ
## উত্তৰ দিয়া তাৰিখ :- ২৩-০৭-২০২৬

**প্রশ্নঃ**

মাননীয় রাজহুৱা বিতরণ ও উপভোক্তা পরিক্রমা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কিঃ

(ক) কাছাড় জেলার বহু প্রকৃত ও যোগ্য উপভোক্তা, Data Entry অপারেটরদের অবহেলার কারণে এখনও পর্যন্ত NFSA রেশন কার্ড থেকে বঞ্চিত রয়েছেন এই ব্যাপারে সরকার অবগত কি? যদি অবগত তবে তথ্য সংশোধন এবং NFSA এর আওতায় অন্তর্ভুক্ত করার জন্য কি পদক্ষেপ গ্রহণ করা হয়েছে তাহা সদনে প্রদানের অনুরোধ জানাই ।

(খ) Data Entry অপারেটরদের অনিয়ম কারণে অনেক পরিবারের ক্ষেত্রে একটি পরিবারের সদস্যদের নামে পৃথক পৃথক ৩/৪ টি রেশন কার্ড ইস্যু করা হয়েছে । সরকার এই বিষয়ে অবগত কি ? যদি অবগত তবে বিষয়টি নিয়ে বিভাগীয় তদন্তের মাধ্যমে প্রয়োজনীয় ব্যবস্থা গ্রহণ করার জন্য সরকারের কাছে অনুরোধ জানাই ।

(গ) বহু পরিবারের ক্ষেত্রে পরিবারের সকল সদস্যের নাম অন্তর্ভুক্ত করার জন্য আবেদন করা হলে ও দীর্ঘদিন অতিবাহিত হওয়ার পরও তা সম্পন্ন হয়নি । এ বিষয়ে সরকার অবগত কি ? যদি অবগত তাহা বিস্তারিত তথ্য সদনে প্রদানের অনুরোধ জানাই ।

**উত্তৰঃ**

মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰী কৌশিক ৰায় মহোদয়ে উত্তৰ দিবঃ

(ক) ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ (NFSA) ৰেচন কাৰ্ডৰ বাবে যোগ্য হিতাধিকাৰী/পৰিয়ালসমূহ জিলা পৰ্যায়ত নিৰ্বাচন কৰা হয়। এই ক্ষেত্ৰত ৰেচন কাৰ্ডৰ পৰা বঞ্চিত যোগ্য হিতাধিকাৰীৰ তথ্য বিভাগৰ ওচৰত উপলব্ধ নহয়। উল্লেখযোগ্য যে জিলা পৰ্যায়ৰ বিভাগীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা কাৰ্যালয়ত Data Entry Operator ৰখাৰ বাবে বা নিয়োগ কৰাৰ বাবে বিভাগৰ ফালৰ পৰা কোনো নিৰ্দেশনা দিয়া হোৱা নাই বা এই সম্পৰ্কে বিভাগ অৱগতও নহয়। যদি কোনো যোগ্য হিতাধিকাৰী এতিয়াও ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ (NFSA) ৰ অধীনত অন্তৰ্ভুক্ত হোৱা নাই, তেনেহলে পৰবৰ্তী পৰ্য্যায়ত সিদ্ধান্ত গ্ৰহণ কৰি নতুনকৈ বাচনি কৰা হ'ব।

(খ) কাছাৰ জিলাত Data Entry Operator ৰ ভুলৰ বাবে একেটা পৰিয়ালৰ বেলেগ বেলেগ সদস্যৰ নামত ৩/৪ খন ৰেচন কাৰ্ড হোৱা বিষয়ত বিভাগৰ ওচৰত কোনো তথ্য নাই। এই বিষয়ে বিতং তথ্য পালে বিভাগীয় অনুসন্ধান কৰি বিহীত ব্যৱস্থা লোৱা হব।

(গ) ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ (NFSA) অধীনত শেহতীয়াভাবে ৰাজ্যখনত যোৱা জুন ২০২৫ মাহত চৰকাৰৰ নিৰ্দেশনা অনুযায়ী প্ৰতিটো সমষ্টিৰ বাবে ৪০০০ (চাৰি হাজাৰ) কৈ মুঠ ৫,০৪,০০০ (পাঁচ লাখ চাৰি হাজাৰ) নতুন হিতাধিকাৰী বাচনি কৰি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ (NFSA) অধীনত অন্তৰ্ভুক্ত কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছিল। এই নতুন ৫,০৪,০০০ (পাঁচ লাখ চাৰি হাজাৰ) নিৰ্বাচিত হিতাধিকাৰী সকলক ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ (NFSA) অধীনত সামৰি লোৱাৰ প্ৰক্ৰিয়াটো ইতিমধ্যে ফেব্ৰুৱাৰী, ২০২৬ মাহত সমাপ্ত হৈছে। এই প্ৰক্ৰিয়াৰ সমাপ্তিৰ পিছতো যদি কোনো যোগ্য দৰিদ্ৰ পৰিয়াল ৰেচন কাৰ্ড পোৱাৰ পৰা বঞ্চিত হৈ ৰৈ গৈছে বা কোনো যোগ্য ব্যক্তিৰ নাম চলিত কাৰ্ডত অন্তৰ্ভুক্ত নহল তেনে পৰিয়াল বা ব্যক্তিক পৰবৰ্তী পৰ্য্যায়ত সিদ্ধান্ত গ্ৰহণ কৰি নতুনকৈ বাচনি কৰা হ'ব।

***********************